# বঙাইগাঁও বিশ্ববিদ্যালয়ত প্ৰথমখন নৱাগত আদৰণি সভা

'আমাৰ অসম'ৰ বঙাইগাঁৱৰ প্ৰতিনিধি, ১১ ছেপ্টেম্বৰ ঃ শেহতীয়াকৈ বঙাইগাঁও মহাবিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈ উন্নীত হোৱা বঙাইগাঁও বিশ্ববিদ্যালয়ৰ প্ৰথমখন নৱাগত আদৰণি সভা বুধবাৰে বিশ্ববিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হৈ যায়। বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ লগতে মুকলি সভা এখনো অনুষ্ঠিত হয়। এই মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ধনপতি ডেকা। বঙাইগাঁও বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ সঞ্চালক ড° ৰূপনাথ ওৱাৰীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বঙাইগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক তৰণি ডেকা। মুকলি সভাৰ মুখ্য অতিথি ধনপতি ডেকাই ভাষণ প্ৰসংগত কয় যে—বিশ্ববিদ্যালয়ত গৱেষণাৰ সুস্থ পৰিৱেশ গঢ়ি তুলিব লাগে। তেওঁ নতুন শিক্ষানীতিৰ কথা উল্লেখ কৰি কয় যে আজিৰ প্ৰজন্মই নিজৰ সমাজখনক চিনিব লাগিব। ভাৰতীয় দৰ্শনৰ প্ৰতিফলন এই নতুন শিক্ষানীতিৰ জৰিয়তেই হৈছে। নিজৰ মাতৃভাষা চৰ্চাৰ বিষয়তো তেওঁ গুৰুত্ব আৰূপ কৰে। সভাত বঙাইগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য গৰাকীয়ে ভাষণ প্ৰসংগত কয় যে অনাগত দিনত বিশ্ববিদ্যালয় খনৰ উন্নত মানৰ আন্তঃগাঁথনিৰ সৃষ্টি কৰি মানৱ সম্পদ গঢ়াত মনোনিৱেশ কৰিব লাগিব। মুকলি সভাত বঙাইগাঁও বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° দীনেশ দাস, শৈক্ষিক পঞ্জীয়ক ড° কৰবী শইকীয়াকে প্ৰমুখ্য কৰি বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী সকলে উপস্থিত থাকে। এই অনুষ্ঠানত হিন্দী বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° নূৰ জামালৰ এখনি গ্ৰন্থও উন্মোচন কৰা হয়।